কবিতা

# নীলিম কুমাৰৰ এটা কবিতা

## আজি বাহিৰত খাবলৈ যাওঁ ব'লা

বগা শীতল বতাহ বলিছে।
আজি বাহিৰত খাবলৈ যাওঁ ব'লা
আজি ঘূৰাই আনো ব'লা
হেৰাই যোৱা আমি দুয়োজনক।

আজি সেই তাহানিৰ আমাৰ হাত দুখনক
ধৰিবলৈ দিওঁ ব'লা
ইখনে সিখনক।
বগা শীতল বতাহ বলিছে।
আজি বাহিৰত খাবলৈ যাওঁ ব'লা

আজি দুয়ো আমাৰ ছাঁ দুটাক
খোৱা মেজত বহি কথা পাতিবলৈ দি
কাষৰপৰা চাই থাকোঁ ব'লা

ছাঁ দুটাইতো
এটাও মিছা কথা ক'ব নোৱাৰিব
সিহঁতৰতো কথা কোৱা জিভা নাই
সিহঁতৰ ভাষা নীৰৱতা,
আজি আমি সিহঁতক শুনো ব'লা

চেঁচা বগা বতাহ বলিছে
আজি বাহিৰত খাবলৈ যাওঁ ব'লা
মৃত্যু নামৰ হোটেলখনত!

**নীলিম কুমাৰ** অসমৰ এগৰাকী বিশিষ্ট কবি আৰু ঔপন্যাসিক।